# 2013

# ASSAMESE

## ( Major )

Paper : 1.2

**( Asamiya Pracin Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়াকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'শূন্যপুৰাণ' কোনে ৰচনা কৰিছিল ?

(খ) পীতাম্বৰ কবিক 'তামসিক' বুলি কোনে আখ্যা দিছিল ?

(গ) 'মহাভাৰত'ৰ এক লাখ শ্লোকৰ ভিতৰত ৰাম সৰস্বতীয়ে অকলে কিমান শ্লোক অসমীয়ালৈ অনুবাদ কৰিছিল ?

(ঘ) 'ভাগৱত পুৰাণ'ত কিমানটা স্কন্ধ আছে ?

(ঙ) বড়ু চণ্ডীদাসে ৰচনা কৰা গ্ৰন্থখনিৰ নাম কি ?

(চ) শংকৰদেৱৰ ‘গুণমালা’ পুথিখনি কি ছন্দত ৰচনা কৰা হৈছে?

(ছ) ‘বেউলা আখ্যান’ৰ উপৰিও দুৰ্গাবৰ কায়স্থই ৰচনা কৰা এখনি গ্ৰন্থৰ নাম উল্লেখ কৰা।

(জ) অসমীয়া ভাষাত ৰচনা কৰা এখনি ‘হৰণ কাব্য’ৰ নাম লিখা।

(ঝ) বৌদ্ধ ধৰ্মৰ দুটা ভাগ—সহজযান আৰু বজ্ৰযান। চৰ্যাপদসমূহ কোনটো পন্থৰ ধৰ্ম সাধনৰ গীত?

(ঞ) কোনগৰাকী কবিক অসমীয়া সাহিত্যৰ ‘ব্যাস’ বুলি আখ্যা দিয়া হয়?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ‘সুকনান্নী’ বুলিলে কি বুজা?

(খ) শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যা কিমান?

(গ) বৈকুণ্ঠনাথ ভট্টাচাৰ্যই ৰচনা কৰা গদ্য (কথা) পুথি-কেইখনিৰ নাম লিখা।

(ঘ) আহোম যুগত ৰচিত দুখন ব্যৱহাৰিক জ্ঞানৰ পুথি লেখকৰ নামসহ উল্লেখ কৰা।

(ঙ) হৰিবৰ বিপ্ৰৰ ‘বভ্ৰুবাহনৰ যুদ্ধ’ আৰু ‘লৱকুশৰ যুদ্ধ’ কাব্য দুখনিৰ মূল বিষয়বস্তু কি?

৩। প্ৰসঙ্গ-সঙ্গতি দেখুৱাই ব্যাখ্যা কৰা (যি কোনো চাৰিছোৱা) : ৫×৪=২০

(ক) জনকৰ জীৱ দেখ নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষিণী॥
বিদূৰ গমনে যেন মিলিল প্ৰয়াস।
কৃশ ভৈল শৰীৰ ঈষত যেন হাস॥

(খ) কিবা মোৰ কুৰূপ দেখিলা কোনো দোষ।
আমাক যে এতমান কৰা অসন্তোষ॥
ৰামে বোলা কিসক পুছাহা প্ৰাণেশ্বৰী।
দাৰুণ বিষম দুখ সহিতে নাপাৰি॥

(গ) বস্ত্ৰ অলংকাৰে নন্দে সবাকো তুষিলা।
দিলন্ত তাম্বুল পুষ্প চন্দনে ভূষিলা॥
নট ভাট প্ৰাৰ্থকৰ পূৰিলন্ত মন।
সেহি দিনা ধৰি ভৈল গোকুল সম্পন্ন॥

(ঘ) ছলনা কৰয় তাতে দেখি সুশোভিত।
অগৰু-চন্দন-গন্ধে আতি সুৱাসিত॥
কঙ্কণ কেয়ূৰ হাৰ ঘুগুৰা পিন্ধিলা।
অলঙ্কাৰে আপোনাৰ অঙ্গ বিভূষিলা॥

(ঙ) ৰাজহংস দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই তন॥
কলহংস ৰাৱ কাঞ্চি নূপুৰৰ নাদ।
বদন কমল তোৰ দেখন্তে আহ্লাদ॥

(চ) স্বৰ্গৰ দেৱতা নিৰীখিলা জনে জনে।
মঞ্চলোক সকলে নিৰীখে মনে মনে॥
গোবিন্দক দেখি চমকিত ভৈলা মতি।
এহি অনুৰূপ মোৰ সোপনৰ পতি॥

যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×৪=৪০

৪। (ক) 'কাআ তৰুবৰ পঞ্চ বি ডাল'—চৰ্যাটিত মানুহৰ শৰীৰক গছৰ লগত তুলনা কৰি ধৰ্মতত্ত্ব কেনেদৰে ব্যাখ্যা কৰা হৈছে, বিচাৰ কৰা।

*অথবা*

(খ) "চৰ্যাবোৰ নৈতিক আৰু আধ্যাত্মিক উপদেশেৰে পৰিপূৰ্ণ।" এই মন্তব্যৰ আধাৰত তোমাৰ পাঠ্যৰ অন্তৰ্গত লুইপাদানামৰ চৰ্যাটিৰ এটি বিশ্লেষণ আগবঢ়োৱা।

৫। (ক) প্ৰাচীন অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

*অথবা*

(খ) শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অনুবাদমূলক কাব্যকেইখনিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) মাধৱদেৱৰ 'চিত্ৰকূটৰ চিত্ৰ' শীৰ্ষক কবিতাটিত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ কেনেদৰে প্ৰয়োগ ঘটিছে, উদাহৰণসহ আলোচনা কৰা।

*অথবা*

(খ) 'চিত্ৰকূটৰ চিত্ৰ' কাব্যাংশত ৰামচন্দ্ৰ আৰু সীতাৰ মানসিক অৱস্থা সম্পৰ্কে কেনেদৰে বৰ্ণনা কৰিছে তাৰ এটি আভাস দিয়া।

৭। (ক) শঙ্কৰদেৱৰ 'নন্দোৎসৱ' কাব্যাংশ ভাগৱতৰ কোনটো স্কন্ধৰ পৰা গ্ৰহণ কৰা হৈছে? কাব্যাংশই ভাৰতীয় উৎসৱ-অনুষ্ঠানৰ চিত্ৰখনি কেনেদৰে সজীৱ কৰি তুলিছে তাৰ এটি বৰ্ণনা দিয়া।

*অথবা*

(খ) শ্ৰীধৰ কন্দলিৰ কাব্যকৃতিৰ পৰিচয় দিয়া। তেওঁৰ 'কাণখোৱা'ৰ বিষয়বস্তুৰ আভাস দি কবিতাটিৰ বৈশিষ্ট্যপূৰ্ণ দিশটি নিৰ্ণয় কৰা।

৮। (ক) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চতুৰ্দশীৰ মোটখেলা' কবিতাটিত দুৰ্গাবৰৰ কাব্যিক প্ৰতিভা কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

*অথবা*

(খ) পীতাম্বৰৰ 'চিত্ৰলেখাৰ পট নিৰ্মাণ'ত কবিগৰাকীৰ পৰিস্থিতি নিৰ্মাণ আৰু বৰ্ণনা-দক্ষতা কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

★★★